# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ৩/ ২০২০**

## অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদৰ বৈঠক অনুষ্ঠিত

## অহা ১১ ফেব্ৰুৱাৰীত ৩০ হাজাৰ গৃহ আৰু অন্যান্য নিৰ্মাণ খণ্ডৰ পঞ্জীয়নকৃত শ্ৰমিকক ৰাজ্য চৰকাৰে প্ৰদান কৰিব বিভিন্ন সাহায্য

**দিছপুৰ, ৩ জানুৱাৰী ঃ** অহা ১১ ফেব্ৰুৱাৰীত ৩০ হাজাৰ গৃহ আৰু অন্যান্য নিৰ্মাণ খণ্ডৰ পঞ্জীয়নকৃত শ্ৰমিকক ৰাজ্য চৰকাৰে প্ৰদান কৰিব বিভিন্ন সাহায্য। গুৱাহাটীত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত বিভিন্ন আঁচনিৰ অধীনত এই সাহায্য প্ৰদান কৰা হ'ব। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত অনুষ্ঠিত অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

উল্লেখ্য যে পঞ্জীয়নকৃত শ্ৰমিকৰ মৃত্যু, চিকিৎসা সাহায্য, এককালীন শৈক্ষিক সাহায্য, সাধাৰণ পেঞ্চন, পৰিয়াল পেঞ্চন, সা-সৰঞ্জাম ক্ৰয়ৰ বাবে ঋণ, প্ৰসৱকালীন সাহায্য ইত্যাদি আঁচনিৰ অধীনত এই সাহায্য প্ৰদান কৰা হ'ব।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে নিৰ্মাণ খণ্ডৰ শ্ৰমিক সকলে পাবলগীয়া সাহায্য নিৰ্দ্ধাৰিত সময়ত পোৱাটো নিশ্চিত কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে ব্যক্তিগত খণ্ডত কাম কৰা নিৰ্মাণ শ্ৰমিক সকলৰ পঞ্জীয়ন নিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ শ্ৰম বিভাগক নিৰ্দেশ দিয়ে। এই গোটেই প্ৰক্ৰিয়াটো দ্ৰুত আৰু সহজলভ্য কৰাৰ বাবে অনলাইন ব্যৱস্থা আৰম্ভ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। নিৰ্মাণ খণ্ডত কাম কৰা শ্ৰমিক সকলৰ দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত প্ৰতিখন জিলাকে সামৰি লোৱাৰ বাবে নিৰ্দেশ দি মুখ্যমন্ত্ৰীয়ে নিৰ্মাণ খণ্ডত কাম কৰা প্ৰকৃত শ্ৰমিক সকলে এই সুবিধা লাভ কৰাটো নিশ্চিত কৰিব লাগিব বুলিও কয়। এই ক্ষেত্ৰত কোনো অনিয়ম সহ্য কৰা নহ'ব বুলিও মুখ্যমন্ত্ৰীয়ে সকীয়াই দিয়ে।

আজিৰ এই বৈঠকত প্ৰধানমন্ত্ৰী শ্ৰম যোগী মান-ধন আঁচনিকে ধৰি শ্ৰমিক কল্যাণ সম্পৰ্কীয় বিভিন্ন আঁচনি সম্পৰ্কতো বিতংভাৱে আলোচনা কৰা হয়। আজিৰ বৈঠকে ডিষ্টেঞ্চ লাৰ্নিং এডুকেশ্যনক এককালীন শিক্ষা সাহায্য আঁচনিৰ জৰিয়তে সামৰি লোৱাৰ বাবেও সিদ্ধান্ত লয়।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ সিনহা, শ্ৰম বিভাগৰ উচ্চপদস্থ বিষয়াৰ লগতে ব'ৰ্ডৰ অন্যান্য সদস্য সকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**৩/১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in